# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-11-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত কাইলৈৰ পৰা ৯ নৱেম্বৰলৈকে ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপন কৰা হ'ব। অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ বিৰল স্বীকৃতিক প্ৰতিজন অসমীয়াৰ ওচৰলৈ নিয়াৰ লক্ষ্যৰে প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ অধীনত প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ কৰা হ'ব। লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰাৰ উপৰি অসমীয়াকে ধৰি ৰাজ্যৰ ১৪ টা ভাষাত শৈক্ষিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

গুৱাহাটীত কাইলৈ ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপনৰ উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।  ৰাজ্য চৰকাৰৰ আন আন মন্ত্ৰীসকল বিভিন্ন জিলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কাৰ্বি আংলং জিলাতো ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে।   ডিফুৰ চাৰ্চিং টেৰণ লাংকুং হাবে মেম'ৰিয়েল টাউন হলত কাইলৈ অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰংবং টেৰাঙকে ধৰি কেইবাগৰাকী লেখক, সাহিত্যিক উপস্থিত থাকিব। ইপিনে, মৰিগাওঁত কাইলৈ ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী কাৰ্যসূচীত মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক তথা ভৈয়াম জনজাতি উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰী মুখ্য অতিথিৰূপে উপস্থিত থাকিব।

০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই ভোটাৰৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে। ইফালে, বিহালী বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পৱিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক দিগন্ত কলিতাই বিভিন্ন স্থানত প্ৰচাৰ অভিযান চলোৱাৰ পাছত সমষ্টিটোত নিৰ্বাচনী তৎপৰতা তুংগত উঠিছে। একেদৰে কাছাৰৰ ধলাই বিধানসভা সমষ্টিত আৰু চিৰাঙৰ চিদলী

সমষ্টিতো প্ৰাৰ্থী আৰু সমৰ্থকসকলে ব্যাপক প্ৰচাৰ চলাইছে। চামগুৰি সমষ্টিতো বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ কেবিনেট মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বিমল বৰাই কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

ইপিনে, চিদলী বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোট সমৰ্থিত ইউ পি পি এল দলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মই আজি কাশিকোত্ৰা সমূহীয়া ভৰনত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰমোদ বড়ো নেতৃত্বাধীন চৰকাৰে বিটিচিত শান্তি প্ৰতিষ্ঠা কৰি উন্নয়ন ত্বৰান্বিত কৰিবলৈ সক্ষম হৈছে বুলি প্ৰাৰ্থীগৰাকীয়ে উল্লেখ কৰাৰ লগতে নিৰ্বাচনত সহজেই জয়ী হ'ব বুলি সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য কৰে।

০০০

ডঃ ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কাইলৈ পুৱা ১০ বজাত **লুইতৰ পৰা মিছিচিপিলৈ** শীৰ্ষক অসম ভিত্তিক মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে এই প্ৰতিযোগিতা আয়োজন কৰিছে। ইপিনে, একেদিনাই বিয়লি ২ বজাৰ পৰা বীৰেন্দ্ৰ নাথ দত্ত বিষয়ক **সাতোখন সুৰীয়া নৈ** শীৰ্ষক মুকলি কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সহযোগত ইনলি ফাউণ্ডেচনে এই প্ৰতিযোগিতাখন আয়োজন কৰিছে। ৩ নৱেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ ডঃ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত দুয়োখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত ভাৰত আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম খন খেল আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। আজি খেলৰ দ্বিতীয় দিনৰ শেষলৈ নিউজিলেণ্ডে নিজৰ দ্বিতীয় ইনিংছত ৯ টা উইকেট হেৰুৱাই ১৭১ ৰাণ সংগ্ৰহ কৰি সামগ্ৰিকভাৱে ১৪৩ ৰাণৰ অগ্ৰগতি লাভ কৰিছে। প্ৰথম ইনিংছত দলটোৱে ২৩৫ ৰাণ কৰাৰ বিপৰীতে ভাৰতে ২৬৩ ৰাণ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। ভাৰতৰ হৈ শুভমন গীলে সৰ্বাধিক ৯০ ৰাণ কৰে। ইপিনে বলিঙত প্ৰথম ইনিংছত ৫ টা উইকেট লাভ কৰা ৰবীন্দ্ৰ জাদেজাই দ্বিতীয় ইনিংছতো  এতিয়ালৈ ৪ টা উইকেট দখল কৰিবলৈ সক্ষম হৈছে।

উল্লেখযোগ্য যে, বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেললৈ যোগ্যতা অৰ্জনৰ বাবে চলিত খেলখন ভাৰতৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই,  আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

**ঃঃ সমাপ্ত ঃঃ**